# অশ্বকৰ্ণ বধ

ISBN -978- 81-7206-884-9

25,188/A

**প্ৰকাশক ঃ** উৎপল হাজৰিকা, **বাণী মন্দিৰ**, মহেন্দ্ৰ মোহন চৌধুৰী ভৱন, হেদায়েৎপুৰ, গুৱাহাটী-৭৮১০০৩। **পৰিৱেশক ঃ** উজ্জ্বল হাজৰিকা, **বাণী মন্দিৰ**, চন্দ্ৰকান্ত হাজৰিকা পথ, নতুন বজাৰ, ডিব্ৰুগড়-৭৮৬০০১। **পৰিৱেশক ঃ লাৱণ্য প্ৰকাশন**, ৰাণীবাৰী, পাণবজাৰ, গুৱাহাটী-৭৮১০০১। মুদ্ৰণ ঃ **লাৱণ্য ছপাশাল**, কুশল কোঁৱৰ পথ, চেনিকুঠি, গুৱাহাটী - ৭৮১০০৩

---

***ASWAKARNA BADH*** : A badha kavya written by Bharat Bhushan a neo-vaishanavite poet and edited by Dr. Prafulla Kr. Nath and Published by Utpal Hazarika on behalf of BANI MANDIR, Mahendra Mohan Choudhuri Bhawan, Hedayetpur, Guwahati-781003

Bani Mandir Edition: 2008 Rs. 40.00 only

ভ্ৰাতৃৰ বচনে বায়ুসুত মহাবীৰ।
যুদ্ধক সন্মুখ ভৈলা নিৰুজ শৰীৰ।। ২০৭

অশ্বকৰ্ণে দেখি পাচে কৰি আলোচন।
কিনো আসুৰিক ইটো মনুষ্য জীৱন।।
যেন তেনমতে আক চিন্তিবোহো মাৰ।
গোটে গিলিবাক শক্তি আছয় আমাৰ।। ২০৮

এহি বুলি বেগ দিয়া যায় ধৰিবাক।
দেখি বৃকোদৰ উঠি বুলিলেক তাক।।
শুনাহা ৰাক্ষস তই পাতকী যে ঘোৰ।
ইমান কথাতো লাজ নভৈল তোহোৰ।। ২০৯

মাথাত উঠিয়া তোক প্ৰহাৰ কৰিলো।
লাঠিৰ আঘাতে দাত চুলি নাথাকিল।।
তথাপি পৰিঘা হাতে খেদিয়া আসিলি।
ভীম অৰ্জুনৰ হাতে নিশ্চয় মৰিলি।। ২১০

হেন শুনি ক্ৰোধে তাৰ কম্পে কলেৱৰ।
ভীমৰ মস্তকে কোব দিলা গুৰুতৰ।।
হাত পাতি ধৰি বায়ুসুত মহাৱলী।
দিলেক প্ৰহাৰ তাৰ গাৱক আকলি।। ২১১

সহিবাক লাগি তাৰ শকতি নভৈল।
ডেৱ দিয়া তাৰ বুকে চাপৰ মাৰিলা।।
মুহূৰ্ত্তেক মানে সিটো থমকি ৰহিলা।
দুৰ্জন ৰাক্ষস তাৰ লোম নলৰিল।। ২১২

যথাত আছয় গদা দেৱ মাধৱৰ।
তথাত গৈলেক ধনঞ্জয় বৃকোদৰ।।
অৰ্জুনক দেখি সিটো চাৰে টেৰকৰি।
আৰোবাৰ আসি জানো মাৰে চুলি ধৰি।। ২১৩

